শঙ্কৰ জাতস্য লোকানাং কোচ বৰ্ণ ভবেৎ ধ্ৰুবম।

তে সবো কোচ ধৰ্ম্মানাং শূদ্ৰ ধৰ্ম্ম সমাচৰেৎ।।”[2]

অৰ্থাৎ — পৰশুৰামৰ ক্ষত্ৰিয় নিধনকাৰী বিদ্ৰোহৰ সময়ত বহু গৰ্ভৱতী ক্ষত্ৰিয়া নাৰী পলাই অন্য ঠাইত আশ্ৰয় লৈছিল, আৰু এই সময়ত গৰ্ভৱতী নাৰীসকলৰ পৰা যি সন্তান জন্ম হৈছিল সেইবিলাকে কামৰূপত কোচ নামে অভিহিত হয়। তেতিয়াৰ পৰা কোচসকলে (ক্ষত্ৰিয়ৰ পৰিৱৰ্তে) ৰাজবংশী বুলি জনাজাত হয়।

কোচ নামটো যোগিনী তন্ত্ৰত ‘কুবাচ’ বুলি পোৱা যায়। পদ্মপুৰাণত কুবাচ, ম্লেচ সম্পৰ্কে পোৱা যায় যে—

“সৰ্ব ভক্ষ্য ৰতা মুধা মেচ্ছা গো-ব্ৰাহ্ম ঘাতকঃ

কুবাচকঃ পৰে ম্লেচ্ছাঃ এতে কুতো যোনয়ঃ

তেযাম পৈশাচিকী ভাষা, লোকাচাৰো ন বিদ্যাতে।”[3]

পদ্মপুৰাণ, সৃষ্টিখণ্ড, অধ্যায়- 57

অৰ্থাৎ— এই ম্লেচ্ছ বা অসভ্যসকলৰ সকলো ভক্ষণ কৰা অভ্যাস আছিল, তেওঁলোক নিৰ্বোধ তথা গৰু আৰু ব্ৰাহ্মণক হত্যা কৰে, সিহঁতৰ অন্যান্য ম্লেচ্ছসকলে বেয়া ভাষা কয়, তেওঁলোকৰ জন্মস্থান পাহাৰত। তেওঁলোকৰ পৈশাচী (অশুভ) ভাষা আৰু তেওঁলোকৰ (ভদ্ৰ) সামাজিকতা নাই।

তথ্যান্তৰত পোৱা হিমালয়ৰ পাদদেশত ‘বড’ নামৰ এখন ৰাজ্য আছিল। এই ‘বড’ নামৰ অঞ্চলটোৰ ‘কচ-বড’, ‘লা-বড’ আৰু ‘হোৰ-বড’, ‘টি-বড’ নামৰ কেইবাটাও বিভাগ আছিল। উক্ত কচ নামৰ পৰাই কোচ শব্দৰ উৎপত্তি হোৱা বুলি কিছুমানে মত প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে অতীতৰ পানীকোচেই কুবাচ আৰু বৰ্তমানৰ কোচ। সুনীতি কুমাৰ চেট্ৰাৰ্জীৰ মতে, “কোচ শব্দটো ইন্দো আৰ্যভাষাৰ মাজামাজি শব্দ ‘কৱাজ’ বা ‘কমচ’ শব্দৰ পৰা উদ্ধৱ হোৱা। ইয়াক সংস্কৃত ভাষালৈ ৰূপান্তৰিত কৰিবৰ সময়ত ‘কম্বোজ’ হোৱাটো বেছি স্বাভাৱিক।[4] কোচৰ পৰা কোচ ৰাজবংশী নামোৎপত্তিৰ ক্ষেত্ৰত বিভিন্ন বুৰঞ্জীবিদে বিভিন্ন মত প্ৰকাশ কৰিছে পদ্মনাথ গোহাঞি বৰুৱাৰ মতে— ‘কোচ জাতি

কামৰূপৰ আদিম অধিবাসী। ইবিলাক আদি story বড়ো বংশীয় মেছ বা কছাৰী জাতিৰ পৰা উৎপন্ন। উজনিৰ কোচবিলাক ইয়াক হিন্দুৰ এটা জাত বা কুলৰ নাম বুলি ধৰে। নামনিৰ বিলাকে এইটো বংশৰ নাম বুলি মানে,।[5]

চাৰ এডোৱাৰ্ড গেইটৰ মতে— উজনি অসমৰ কোচসকল হিন্দু হোৱাৰ পিছত কছাৰী, লালুং, মিকিৰ, প্ৰভৃতি মানুহবিলাকেও হিন্দু হৈ কোচ শ্ৰেণীত সোমাইছে আৰু নামনিৰ বিলাকে ৰাজবংশী বুলি পৰিচয় দিয়ে।

ৰাজমোহন নাথৰ মতে— প্ৰাচীন চন্দ্ৰবংশীয় ৰজা সহস্ৰাৰ্জ্জুন নামৰ ৰজাৰ বাৰজন পুত্ৰ পৰশুৰামৰ লগত যুদ্ধত হাৰি প্ৰাণ ৰক্ষাৰ্থে চিকনি পৰ্বতত আশ্ৰয় লয় আৰু সেই ঠাইৰ পৰ্বতীয়া জাতিৰ লগত মিলি-জুলি মেচৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰে। এই ক্ষত্ৰিয় আৰু মেচৰ মিলনত কোচ জাতিৰ উৎপত্তি হোৱা বুলি প্ৰবাদ আছে।

বেডেন পাওৱেলে লিখিছে— "মেচ, কোচ আৰু কছাৰীসকল একে জনজাতিৰ বিভিন্ন ভাগ। যিসকল কছাৰীয়ে গোড়া হিন্দু ধৰ্ম গ্ৰহণ কৰিছে তেওঁলোকক বুজাবলৈহে পৃথকভাৰে কোচ বোলা হৈছিল।"[6]

গ্ৰিয়াৰছনৰ মতে— আদিতে কোচসকল আৰু বড়োসকল যে একে আছিল এই বিষয়ে সন্দেহ নাই। কোচ মেচ আৰু বৰ বা বড়োসকলে এক জনজাতিভুক্ত অথবা তেওঁলোক একে জনজাতিৰ ভিন ভিন ফৈদ। কোচ নামটো যিকোনো ঠাইতে হিন্দুকৃত বড়োক বুজায়, যিসকলে পূৰ্বপুৰুষৰ ধৰ্ম আৰু বড়ো ভাষা ত্যাগ কৰি বাংলাভাষা অসমীয়া ভাষা গ্ৰহণ কৰিছে।[7] কোচ ৰাজবংশীসকল পূৰ্ব ভাৰতৰ এক বৃহৎ জনগোষ্ঠী আৰু হিন্দু ধৰ্ম গ্ৰহণ কৰি এওঁলোক আৰ্যকৃত হিন্দুৰ স্বীকৃতি লাভ কৰিছে। বড়ো ভাষাত 'ছা' শব্দৰ অৰ্থ সন্তান। হোৰ বড় দেশত বাস কৰা মানুহখিনিক 'হোৰছাই' বা হোজাই, কোৰ বড় দেশত বাস কৰা মানুহখিনি কোৰ ছাই', কোছাৰ, কোছা (কোছাৰী) বুলি জনা গৈছিল।

কোচ শব্দৰ উৎপত্তি সম্পৰ্কে আমি ক'ব পাৰো যে —

(ক) কুস্বচ বা কুবাচ শব্দৰ পৰা কোচ হৈছে,

(খ) গ্ৰিয়াৰছনৰ লগত একমত হৈ ক'ব পাৰি যে পূৰ্বপুৰুষৰ ধৰ্ম আৰু বড়ো ভাষা ত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰা বড়ো সকলেই মূলতঃ কোচ।

**১.০৩. আদিম কোচসকলৰ বাসস্থান ঃ**

প্ৰাচীন কামৰূপ ৰাজ্যখনেই আছিল কোচসকলৰ আদিম বাসস্থান। প্ৰাচীন কামৰূপৰ সীমা আছিল বৰ্তমান অসম, পশ্চিমবংগৰ জলপাইগুড়ি, কোচবিহাৰ, বিহাৰৰ পূৰ্ণিয়া, মিথিলাৰ পূৰ্বাংশ, ৰংপুৰ, নেপালৰ কাঞ্চনজংঘা পৰ্বতলৈ এই বৃহৎ অঞ্চল। যোগিনীতন্ত্ৰত প্ৰাচীন কামৰূপৰ সীমাৰ উল্লেখ পোৱা যায় ঃ

''নেপালস্য কাঞ্চনাদি ব্ৰহ্মপুত্ৰস্য সংঙ্গমং।
কৰতোয়াং সমাশ্ৰিত্য যাবদিক্কৰ বাসিনীম্।।
উত্তৰস্যাং কঞ্জগিৰীঃ কৰতোয়াতু পশ্চিমে।
তীৰ্থশ্ৰেষ্ঠা দিক্ষু নদী পূৰ্বস্যাং গিৰিকন্যাকা।।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়ঃ সঙ্গমাবিধি।
ত্ৰিংশৎ যোজন বিস্তীৰ্ণ দীৰ্ঘেন শত যোজনম্।।
কামৰূপং বিজানীহি ত্ৰিকোনাকাৰমুত্তমম্।।"[৪]

অৰ্থাৎ— উত্তৰে নেপালৰ কাঞ্চনজংঘা পৰ্বতৰ পৰা আৰম্ভ কৰি দক্ষিণে ব্ৰহ্মপুত্ৰ নদীৰ সঙ্গমস্থললৈকে, পূৱে তীৰ্থশ্ৰেষ্ঠ দিক্ষুনদীৰ পৰা পশ্চিমে পুণ্যতোৱা কৰতোৱা পৰ্যন্ত ব্যাপি কামৰূপ ৰাজ্যৰ সীমা আছিল। ৰাজ্য ত্ৰিকোণাকাৰ আছিল, দীঘলে একশ যোজন আৰু পথালিকৈ ত্ৰিশ যোজন আছিল। কামৰূপৰ উৎপত্তি সম্পৰ্কে কালিকা পুৰাণত পোৱা যায়— "শম্ভূনেত্ৰাগ্নিদগ্ধঃ শম্ভোৰনুগ্ৰহাৎ। তত্ৰৰূপংযতঃপ্ৰাপ কামৰূপং ততহোভবেৎ",[৭] অৰ্থাৎ মহাদেৱৰ ক্ৰোধত ভস্মীভূত হোৱা কামদেৱ পুনৰায় যি স্থানত আহি জন্ম লৈছিল সেই ঠাইৰে নাম কামৰূপ।

প্ৰাচীন কামৰূপৰ পশ্চিম প্ৰান্তত ৰত্নপীঠ অঞ্চল অৱস্থিত। এই ৰত্নপীঠ অঞ্চল শৈৱ সাধনাৰ কেন্দ্ৰ আছিল। ইয়াতে জল্পীশ্চ মহাদেৱক আৰাধনা কৰা হৈছিল। দিনাজপুৰৰ বানগড় শিলালিপিত গৌড়ৰ দেশৰ 'কম্বোজ' জাতিয়ে শিৱ মন্দিৰ প্ৰতিষ্ঠা কৰা বুলি পোৱা যায়। 'ভ্ৰামৰী তন্ত্ৰ' মতে নন্দী সূতৰ ভয়ত বৰ্দ্ধনৰ পঞ্চপুত্ৰ পৌড্ৰ দেশৰ পৰা পলাই আহি ৰত্নপীঠত বাস কৰিব ধৰে আৰু পাছলৈ ৰাজবংশী পৰিচয় লাভ কৰে।

ভ্ৰামৰী তন্ত্ৰৰ শ্লোকত পোৱা যায় —

"নন্দীসূত ভয়া ভ্ৰীমে পৌণ্ড্ৰদেশাৎ সমাগতাঃ বৰ্দ্ধনস্য পঞ্চপুত্ৰা সৰ্গনৈবান্ধব সহ ৰত্নপীঠং বিবিত্তন্তে কালাদ্বি প্ৰহৰ সহৰমাৎ ক্ষাত্ৰ ধৰ্ম্মাদপক্ৰান্ত ৰাজবংশীতি খ্যাতা ভূবি।"[10]

আদিমত কোচসকলে প্ৰাচীন কামৰূপ ৰাজ্যত আৰু ৰত্নপীঠ অঞ্চলত বাস কৰিছিল।

**১.০৪. কোচসকলৰ গোষ্ঠী বিচাৰ ঃ**

কোচসকল কোন গোষ্ঠীৰ লোক আছিল সেই লৈ মতবিৰোধ দেখা যায়। দ্ৰাবিড়ী গোষ্ঠীৰ আছিল নে মঙ্গোলীয় গোষ্ঠীৰ আছিল এই লৈ মতভেদ দেখা যায়। এইচ. এন. ৰিজলি (H. N. Risely) ৰ মতে 'কোচসকলে দ্ৰাবিড়ী গোষ্ঠীৰ অনাৰ্য আৰু অহিন্দু লোক আছিল। অৱশ্যে তেওঁলোকৰ লগত মঙ্গোলীয় গোষ্ঠীৰ তেজৰ সংমিশ্ৰণ ঘটিছিল।"[11]

কৰ্ণেল ডেল্টনে কোচসকলৰ শাৰীৰিক বৈশিষ্ট্য আৰু অবয়বৰ দিশৰ প্ৰতি লক্ষ্য কৰি তেওঁলোক দ্ৰাবিড়ী গোষ্ঠীৰ আছিল বুলি অনুমান কৰিছিল। কিছুমানে আকৌ কোচসকলক মঙ্গোলীয় গোষ্ঠীৰ লোক বুলি কৈছে।

B. H. Hodgson এ তেখেতৰ "Essay the first on the Koch, Bodo and Dhimar Tribes" গ্ৰন্থখনত কোচসকলক মঙ্গোলীয় গোষ্ঠীৰ বুলি কৈছে। কৰ্ণেল ওৱাডেলে (col. waddel) এ কৈছে যে "কোচসকল দ্ৰাবিড়ী গোষ্ঠীৰ নহয় মঙ্গোলীয়হে।"[12] শাৰীৰিক গঠনৰ ফালৰ পৰা জলপাইগুড়ি, কোচবিহাৰ আৰু অবিভক্ত গোৱালপাৰা জিলাৰ ৰাজবংশী লোকসকল বিশুদ্ধ কোচ হওকেই বা নহওক তেওঁলোকৰ মূৰ, কপাল, চকু, নাক, মুখৰ আকৃতি, দেহৰ গঠন, আচাৰ-নীতি, পিন্ধা-উৰাৰ ধৰণ-কৰণ, খোৱা-বোৱা আদি প্ৰায়বোৰ দিশতেই মঙ্গোলীয় গোষ্ঠীৰ বৈশিষ্ট্য পৰিস্ফুট হয়।

**১.০৫. বৰ্তমানৰ কোচ ৰাজবংশীসকল ঃ**

অসমৰ অন্যতম বৃহৎ জনগোষ্ঠীসমূহৰ ভিতৰত কোচ ৰাজবংশী জনগোষ্ঠীটো অন্যতম। গ্ৰীয়াৰছনৰ মতে— কোচসকল হৈছে আৰ্য হিন্দু ধৰ্ম গ্ৰহণ কৰা বড়ো গোষ্ঠীৰ লোক, যিসকলে

নিজৰ ভাষা আৰু ধৰ্ম ত্যাগ কৰিছে। অবিভক্ত গোৱালপাৰা আৰু কোচবিহাৰ অঞ্চলৰ ৰাজবংশীসকল এনেধৰণৰ ধৰ্মান্তৰিত লোক। মাৰ্টিন মাণ্টোগোমাৰীৰ মতে — "বৃহৎ বড়ো গোষ্ঠীৰ অন্তৰ্গত কোচ আৰু ৰাজবংশীসকল মূলত একে জাতি।"[13]

বৰ্তমান সময়ত ভাৰতৰ বিভিন্ন ৰাজ্যৰ উপৰিও নেপাল আৰু বাংলাদেশত কোচ ৰাজবংশী লোকসকল বাস কৰি আছে। অসমৰ প্ৰায়বোৰ জিলাতেই কোচ ৰাজবংশী লোক বাস কৰি আছে যদিও অবিভক্ত গোৱালপাৰা জিলাতেই সৰ্বাধিক ৰাজবংশীলোকে বসবাস কৰি আছে। ৰাজবংশী শব্দটো ৰাজন বা ৰাজ শব্দৰপৰা নিষ্পন্ন হৈছে। ৰাজবংশৰ লগত '-ইন' প্ৰত্যয় যোগ হৈ ৰাজবংশী শব্দটো হৈছে যাৰ অৰ্থ ক্ষত্ৰিয়ৰ বংশধৰা আৰু মতান্তৰে পোৱা যায় 'ৰাজবীজি ৰাজবংশো' অৰ্থাৎ 'ৰাজবংশৰ পৰা উদ্ভৱ হোৱা মানুহক ৰাজবীজিন বা ৰাজবংশ বুলি কোৱা হয়। ৰাজবংশী শব্দৰ লগত, ষঞ, ষ্ণীয়া আৰু '-ইন' প্ৰত্যয় যোগত যথাক্ৰমে ৰাজবংশ্য, ৰাজবংশীয় আৰু ৰাজবংশী শব্দটো নিস্পন্ন হৈছে।"[14]

1911 চনত ৰায়চাহাব পঞ্চানন বৰ্মাৰ নেতৃত্বত চলা ক্ষত্ৰিয় আন্দোলনৰ ফলত কোচ আৰু ৰাজবংশী এই দুটা পৃথক জাতি বুলি স্বীকৃতি লাভ কৰে। 'ইংৰাজৰ শাসন কালত "1891 চনত লোকপিয়লত ইংৰাজ চৰকাৰে 'Rajbongshi is the same as Koch' বুলি আদেশ দিছিল।"[15] ৰাজবংশী জনগোষ্ঠীৰ উদ্ভৱ আৰু পৰিচয় সন্দৰ্ভত কোচ ৰাজবংশী, পালিয়া, দেশী ইত্যাদি বৃহত্তৰ ৰাজবংশী জনগোষ্ঠী অনাৰ্য মংগোলীয় জাতিৰ তিব্বতবৰ্মী শাখাৰ অন্তৰ্ভুক্ত আছিল। মংগোলীয় জাতিৰ বৃহত্তৰ বড়ো শাখাৰ অন্যতম গোষ্ঠী আছিল ৰাজবংশীসকল। ৰাজবংশীসকল শৈৱ আৰু শাক্ত আছিল। প্ৰথমতে এওঁলোকে শৈৱ সাধনা কৰিছিল আৰু লগতে প্ৰকৃতি, গছ, নদী, পাহাৰ, বৃক্ষ, ইত্যাদিক আৰাধনা কৰিছিল। ক'ব গ'লে তেওঁলোক প্ৰকৃতিৰ উপাসক আছিল।

**১.০৬. কোকৰাঝাৰ জিলাৰ কোচ ৰাজবংশীসকলৰ সমাজ জীৱন ঃ**

অবিভক্ত গোৱালপাৰা জিলাত কোচ ৰাজবংশীসকলৰ বসতি প্ৰধানভাৱে আছিল। অবিভক্ত গোৱালপাৰা জিলাৰ পৰা পৰৱৰ্তী সময়ত ধুবুৰী, বঙাইগাঁও আৰু কোকৰাঝাৰ জিলা গঠন হয়। আৰু পাছত চিৰাং নামৰ জিলাখনো গঠন হয়।

কোচ ৰাজবংশী লোকসকল মূলত কৃষিজীৱি। বছৰত বিভিন্ন খেতিবাতি কৰে। খেতিৰ ভিতৰত ধানেই প্ৰধান। খেতি কৰ্মত পুৰুষৰ লগতে মহিলাসকলেও সমানে যোগদান কৰে।

মহিলাসকলে ৰোৱা তোলাৰ পৰা আৰম্ভ কৰি ধান কটা, মৰণা মাৰা শেষ কৰি ভৰাঁলত উঠোৱালৈকে সকলো কাম কৰে।

**(ক) সাংসাৰিক জীৱনযাত্ৰা ঃ**

কোচ ৰাজবংশীসকলৰ সাংসাৰিক জীৱনযাত্ৰাত পুৰুষ আৰু মহিলাই সমানেই অংশগ্ৰহণ কৰে। পুৰুষসকলৰ লগতে নাৰীসকলেও কুটীৰ শিল্প, হস্ততাঁত, খেতি-বাতি, জীৱ-জন্তু পালন ইত্যাদি কামবোৰ কৰে। মূলতঃ কৃষিজীৱী হোৱা বাবে কৃষিকেন্দ্ৰীক বহুতো উৎসৱ আৰু পূজা-পাৰ্বণ পালন কৰা হয় আৰু ইয়াৰ লগত জড়িত বিভিন্ন লোকবিশ্বাস আৰু লোকাচাৰ সমূহ পালন কৰা হয়। এওঁলোকে বিযুৱা, পুষুণা, নৱান্ন বা নয়াখাওৱা আদি উৎসৱ পালন কৰে, উৎসৱসমূহ সম্পূৰ্ণ কৃষিকেন্দ্ৰীক। ইয়াৰোপৰি বৰষুণৰ বাবে হুদুম পূজা কৰা হয়, কাতি ঠাকুৰক পূজা কৰা হয়, কাতি ঠাকুৰ প্ৰজননৰ দেৱতা, যাতে কৃষি ভাল হয় সেইবাবে এই পূজা কৰে। কাতি বিহুত পথাৰৰ পোক-পৰুৱা ধ্বংস হ'বৰ বাবে কাতি গাছা দিয়া হয়। আমতি বা সাথ লাগিলে একো কৃষি কাম কৰা নহয়। এওঁলোকে বিভিন্ন প্ৰকাৰৰ ধান, মাহ, তিল, মৰাপাট, সৰিয়হ, শাক-পাচলিৰ খেতি কৰে। খেতিৰ বাবে গৰু, নাঙল, মৈ, কোৰ, ইত্যাদি সজুঁলি ব্যৱহাৰ কৰে।

**(খ) ঘৰ-দুৱাৰ নিৰ্মাণ ঃ**

কোচ ৰাজবংশীসকলে খেৰ, বাঁহ, বেত, কাঠেৰে ঘৰ নিৰ্মাণ কৰিছিল। ঘৰৰ চাৰিওফালে তামোল-নাৰিকলৰ গছৰ উপৰিও বিভিন্ন ফল-মূলৰ গছ ৰোৱা হয়। চোতালৰ পূৱত তুলসী ঠাকুৰ, বাহিৰা বিষহৰি, কালী থান থাকে। ধান থোৱা ভঁৰালঘৰটো ওখকৈ বনোৱা হয়। কিছুমানে ভঁৰালঘৰটো চাংঘৰ আকাৰে সাজে। কোচ ৰাজবংশী লোকবিশ্বাসত গৃহৰ অৱস্থিতি সম্পৰ্কে এষাৰ প্ৰবাদ পোৱা যায় —

উত্তৰে গুৱা।  
দক্ষিণে ধূৱা।।  
পূৱে হাস।  
পশ্চিমে বাঁশ।।

উত্তৰে তামোল-পাণৰ বাৰী, দক্ষিণে ধূৰা মানে মুকলি, পূৰফালে পুখুৰী আৰু পশ্চিমত বাঁহৰবাৰী থকা বাঞ্ছনীয়। এওঁলোকে চোতালৰ চাৰিওফালে চাৰিটা ঘৰ সাজে। উত্তৰফালৰ ঘৰটোক ‘বড়ঘৰ’ বোলে বৰঘৰৰ ভিতৰত ‘বাস্তু দেৱতাৰ’ থান আছে। ধনীলোকসকলৰ ‘গোলাঘৰ’ (ভঁৰালঘৰ), ডাৰি ঘৰ (চ’ৰাঘৰ) পশ্চিমফালৰ ঘৰটো ৰান্ধনীঘৰ বা ৰান্ধোনঘৰ হিচাপে ব্যৱহাৰ কৰা হয়। ডাৰিঘৰটোত আলহী অতিথি আহিলে থাকিব বা শুব দিয়ে।

চোতালক ‘আগিনা’ বোলা হয়। ধান শুকুৰা মেলা ঠাইক খোলান বোলা হয়। গৰু-ছাগলীৰ বাবে গোহালী থাকে। হাঁহৰ বাবে খোপৰা থাকে।

**(গ) সাজপাৰ আৰু আ-অলংকাৰ ঃ**

কোচ ৰাজবংশী সমাজত পুৰুযে ধূতি, আংচা, গামচা, গাত পাছেৰা, দোপাটি বা তানা ব্যৱহাৰ কৰিছিল। আংচাসমূহ বিভিন্ন ৰঙৰ হয় আৰু এইবোৰ ঘৰৰ মহিলাসকলে নিজে তাঁতশালত বৈ উলিয়ায়। পুৰুষ মানুহে আংচা পিন্ধি লেংটি মাৰি বিভিন্ন কাজ-কৰ্মবোৰ কৰে। মহিলাসকলে পাটানী, শাড়ী আৰু মেখেলা চাদৰ পিন্ধে। পাটানীৰ লগত আগৰণ, মূৰত ওৰণী ব্যৱহাৰ কৰে। মহিলাসকলে বিভিন্ন সোণ-ৰূপৰ অলংকাৰ পৰিধান কৰে। শৰীৰৰ অংগভেদে অলংকাৰ বেলেগ বেলেগ হয়।

| | |
|---|---|
| কপালত পিন্ধা অলংকাৰ ঃ | সীতাপটি, |
| গলত পিন্ধা অলংকাৰ ঃ | হাসা পেওচি, চন্দ্ৰহাৰ, বেচাহাৰ, সূৰ্যহাৰ, শিকলিহাৰ, সিক্কাহাৰ, কাঠিমালা, চোৰা কাঠি, ছালাকাঠি, মধুমালা, বোয়াল কাঠি, হাসুলা টাকাচাৰা ইত্যাদি অলংকাৰ। |
| কাণত পিন্ধা অলংকাৰ ঃ | ঝিজিৰি টানা, ফুলকৰি, অন্তি, বালি, গুজি, সোনা সিসা ইত্যাদি। |
| নাকত পিন্ধা অলংকাৰ ঃ | নথ বা নোট, নলো, নাকফুল, ফুল বা ফুৰপুৰি। |
| হাতত পিন্ধা অলংকাৰ ঃ | গোটাখাৰু, মুঠাখাৰু, কাৰিলা, গকুল খাৰু, সঠিয়া খাৰু, বাওতি, চুৰ, চৰাতি, ৰতনচুৰ। শাঁখা, বাহুখাৰু, গজৰা, সমাপাঞ্জি |
| আঙুলিত পিন্ধা ঃ | আঙুটি |
| বাহুত পিন্ধা অলংকাৰ ঃ | কাটা বাজু, তাৰ বাজু, বাঁশ পাতাৰি কংকন আদি। |

ভৰিৰ গাঁঠিত পিন্ধা অলংকাৰ ঃ  ঠ্যাং খাৰু, বাকখাৰু, পাৰ খাৰু, চৰ খাৰু, গল, পাঁইজো, পাঁজোৰ পাঞ্জা।

পুৰুষসকলে অলংকাৰৰ ভিতৰত গলত মালা, হাতত খাৰু আৰু আঙুলিত আঙুঠি পিন্ধে।

**(ঘ) খাদ্য সম্ভাৰ ঃ**

কোচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰধান খাদ্য ভাত। তেওঁলোকে বিভিন্নধৰণৰ খেতি কৰে। বছৰত বিভিন্ন ধানৰ খেতি কৰে। সেইসমূহ হৈছে— বেতো, বচি, কচুডালা, ৰাঙন, কাকুৰা, পাখিৰি, পানীশালী, আঘন, দুধকলী, বোচি, গুজৰি, সোনাজুল, বৰ্ণি, জশোয়া, ভোগ, বিন্দিভোগ, গানজিয়া, ফুল পাখিৰি, মালাশিৰা ইত্যাদি। বৰ্তমান নতুন নতুন জাতৰ বৰ্ণশংকৰ (হাইব্ৰিড) ধানৰ খেতি কৰে। ধানৰ উপৰিও মৰাপাট, তিল, সৰিয়হ খেতি কৰে।

ঋতু অনুসৰি বিভিন্ন শাক-পাচলিৰ খেতি কৰে। আলু, মুলা, বাইগন (বেঙেনা), ফুলকবি, বন্ধাকবি, ওলকবি, হিত্তুকুমুৰা (ৰঙালাও), পানীলাও (কোমোৰা), কুমুৰা, সেমাস (তিয়হ), কইল্ল্যা (কেৰেলা), ভূটি বাইগন (বিলাহী), পটল আৰু অসমত পোৱা প্ৰায়বোৰ শাক-পাচলি ভক্ষণ কৰে। এওঁলোকে খৰকৰা ভাত (কৰ্কৰা ভাত, বাহি ভাত), পন্তাভাত (পইতা ভাত), মাছ পুৰা বা বিভিন্ন চাটনি দি ভক্ষণ কৰে। মাংসৰ ভিতৰত ছাগলী, হাঁহ, কুকুৰা, পাৰ ইত্যাদি খায়। কুকুৰা আৰু গাহৰি খোৱাৰ ক্ষেত্ৰত কিছু বাধা নিষেধ মানি চলে। এই অঞ্চলৰ খাল বিলত পোৱা সকলো মাছেই ভক্ষণ কৰে। মাছ শুকাই শুকান মাছ বনায় আৰু শুকান মাছৰ পৰা সিদল বনায়। খাৰ বা ছেকা এওঁলোকৰ প্ৰিয় খাদ্য। খাৰৰ ভিতৰত কলাখাৰ ব্যৱহাৰ কৰে। তদুপৰি তিল, সৰিয়হৰ গছ পুৰি খাৰ বনায়। লফা-মৰাপাটত খাৰ দি পেল্কা বনায়।

মাটি মাহৰ দালি (ঠাকুৰী কালাই) মুগ, মছুৰ, বুট, ৰহৰ ইত্যাদি দালি খায়। এওঁলোকে বিভিন্ন পিঠা-পনা বনায়। ভাপা পিঠা, ঢাপৰা পিঠা, কান মচোৰা বা কুলি পিঠা, পোৱা পিঠা, শুকান পিঠা, বৰা চাউল পাতত দি বৰা পিঠা বনায়। চুঙা পিঠা, উষা পিঠা ইত্যাদি পিঠা-পনা বনায় খায়।

**(ঙ) কোচ ৰাজবংশী সমাজত বাঁহৰ ব্যৱহাৰ ঃ**

কোচ ৰাজবংশী সমাজত জন্মৰ পৰা মৃত্যুলৈকে বাঁহৰ ব্যৱহাৰ আছে। জন্মৰ সময়ত কেঁচুৱাৰ নাড়ী কটাৰ পৰা মৃত্যুত মৃত্যুদেহ শ্মশানত লৈ গৈ সৎকাৰ কৰালৈ বাঁহৰ ব্যৱহাৰ কৰা হয়। ঘৰ-দুৱাৰবোৰ বাঁহ, বেত, খেৰেৰে সজা হৈছিল। খেতিৰ বাবে মৈ, যুৱলী, দা-কুঠাৰ, কোৰৰ নালত বাঁহ ব্যৱহাৰ কৰা হয়। মাছ ধৰা সঁজুলিবোৰ যেনে — জাকৈ, খালৈ, পলো, কোকা, কাটি, ঠুসি, ধোৰকা, টেমাই চেপা সকলো বাঁহেৰে বনোৱা হয়।

**(চ) সামাজিক গাঁথনি ঃ**

কোচ ৰাজবংশী লোকসকলৰ গাঁওত সমাজ ব্যৱস্থা খুবেই শক্তিশালী ৰূপত দেখিবলৈ পোৱা যায়। সমাজখনৰ যিকোনো সমস্যা, মেল-মিটিং, বিচাৰ ইত্যাদিত সমাজখনত আলোচনা আৰু মীমাংসা কৰা হয়। বিয়া-বাৰু, পূজা, শ্ৰাদ্ধত গাঁৱৰ ৰাইজে আৰ্থিকভাৱে বা শাৰীৰিক শ্ৰম কৰি দি সহায় কৰে।

**(ছ) পূজা পাৰ্বন ঃ**

কোচ ৰাজবংশীসকল আৰ্যহিন্দু হোৱাৰ বাবে বিভিন্ন দেৱ-দেৱতাৰ পূজা কৰে। লগতে কোচ ৰাজবংশীৰ বহুতো লৌকিক দেৱতাৰ কথা উল্লেখ পোৱা যায়। যেনে— মাশান, গাৰ্জা, সোনৰায়, বিষহৰি, হদুম, কাতিকা, মদন-কাম, মেচেনী, মহাকাল, ধুমসিয়া, ঢাং ঢিং, মোটা গাৰাম তিস্তাবুঢ়ী, ভাণ্ডানী ইত্যাদি। এই পূজাসমূহ কোচ ৰাজবংশীৰ নিজস্ব অধিকাৰী বা দেউৰীয়ে আগবঢ়ায়।

**(জ) কোচ ৰাজবংশী জাতিৰ উপাধিসমূহ ঃ**

কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে বিভিন্ন উপাধি লিখে। উপাধিৰ পৰা ধৰিব নোৱাৰি তেওঁলোক আৰ্য নে অনাৰ্য, মঙ্গোলীয় নে দ্ৰাবিড়। কোচ ৰাজবংশী লোকসকলে ব্যৱহাৰ কৰা উপাধিসমূহ হৈছে— অধিকাৰী, কোচ, কোঁৱৰ, কাৰ্জী, খাটনিয়াৰ, খাৰঘৰীয়া, গিৰি, গিতাল, চৰকাৰ, সৰকাৰ, চলিহা, চৌধুৰী, টকতীয়া, তহবিলদাৰ, তৰফদাৰ, তালুকদাৰ, তামুলী, ঠাকুৰীয়া,

ডিহিদাৰ, ডেকা, ডাউকা, দাস, দেৱ, দলৈ, দত্ত, দত্ত বৰুৱা, দস্তিদাৰ, দেৱবৰ্মা, টিং, পাঠক, পাটগিৰি, পাল, ফৌজদাৰ, বৰ্ম্মন, বৰুৱা, বৰা, বায়ন, বশিষ্ঠ, বৈষ্ণৱ, বৈৰাগী, বৰবৰা, ভূঞা, মহন্ত, মজুমদাৰ, মণ্ডল, মেধী, মালী, ৰাজবংশী, ৰায়, ৰাজা, লস্কৰ, লহকৰ, শইকীয়া, শিকদাৰ, সিংহ, সিনহা, সেনাপতি, হাজৰিকা, ক্ষত্ৰিয় ইত্যাদি।

**১.০৭. কোচ ৰাজবংশী লোক-সংস্কৃতি ঃ**

**১.০৭.১. লোক সংস্কৃতি ঃ**

লোক সংস্কৃতি অভিধাতো অসমীয়া সাহিত্যত বেছি পুৰণি নহয়। 1948 প্ৰকাশিত প্ৰফুল্লদত্ত গোস্বামীৰ ‘অসমীয়া জন সাহিত্য’ নামৰ গ্ৰন্থত Folklore শব্দৰ প্ৰতিশব্দ ৰূপে লোকযান, লোকবৃত্ত শব্দৰ প্ৰয়োগ কৰিছে তেওঁ লিখিছে “ভাৰতবৰ্ষতো কোনো কোনো অঞ্চলত লোকযান, লোকবৃত্ত আদি শব্দ প্ৰয়োগ কৰা হৈছে।[16] বিৰিঞ্চি কুমাৰ বৰুৱাই 1961 চনত প্ৰকাশ পোৱা গ্ৰন্থ ‘অসমৰ লোক সংস্কৃতিত প্ৰথমে লোক সংস্কৃতি শব্দটো ব্যৱহাৰ কৰিছিল। ইংৰাজী কালচাৰ (Culture) শব্দ লেটিন ভাষাৰ কুলতুৰা (culture) মূলৰ পৰা উদ্ভৱ হৈছে। কালচাৰৰ প্ৰতিশব্দ ৰূপে মাৰাঠী ভাষাত সংস্কৃতি পদটোৰ ব্যৱহাৰ কৰা হৈছিল। ৰবীন্দ্ৰনাথ ঠাকুৰে বাংলা ভাষাত সংস্কৃতি শব্দটো জনপ্ৰিয় কৰি তুলে। সংস্কৃতি পদটো গ্ৰহণ কৰাৰ আগত কৃষ্টি শব্দৰ ব্যৱহাৰ কৰা হৈছিল।

সমাজবিজ্ঞানী, নৃতত্ত্ববিদসকলে 'culture' শব্দৰ ব্যাখ্যা বিভিন্ন ধৰণে দিছে। বৃটিছ নৃতত্ত্ববিদ এডৱাৰ্ড ৱাৰ্ণেট টেইলৰে 'culture' শব্দটোৰ ব্যাখ্যা এনেদৰে দিছে— “সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।[17] লোকসংস্কৃতি বুলিলে জাতি এটাৰ সামগ্ৰিকভাৱে দৈনন্দিন জীৱন পালন কৰা সামাজিক ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, বিশ্বাস, লোকবিশ্বাস, ধৰ্মবিশ্বাস, অন্ধবিশ্বাস, পূজা-পাৰ্বন, সাধুকথা, গীত-মাত, প্ৰবাদ-প্ৰৱচন, সাথৰ, নৃত্য-কলা, লোকবাদ্য সকলোকে সামৰি লয়।

এ. আৰ. ৰাইট (A. R. Wright) নামৰ এজনে তেখেতৰ 'English folklore' নামৰ গ্ৰন্থখনত লোকসংস্কৃতিৰ সংজ্ঞা এনেদৰে দিছে—

"The science which studies the expression in popular beliefs.

Institutions, practices, oral Literature and arts and past times of the mental and spiritual life of the folk the pepole in general in every stage of barbarism and culture."[18]

সংস্কৃতিয়ে এটা জাতিৰ পৰিচয় দাঙি ধৰে। সমাজখনত পৰম্পৰাৰ পৰিৱৰ্তনো যুগ সাপেক্ষে হৈ আহিছে। সংস্কাৰৰ মাধ্যমত মানুহে সামাজিক জীৱনৰ বাবে এটি সামূহিক উৎকৰ্ষিত ৰূপ পায়, সেয়ে সংস্কৃতিয়ে সদায় নিত্য নতুন ভাৱেৰে আগবাঢ়ে। মানুহে সমাজ পাতি বসবাস কৰাৰ পিছত আচাৰ আচৰণবোৰ গঢ়ি উঠিছিল। সমাজখনে অদৰকাৰী বুলি ভবাবোৰক আতৰাই বাদ দি লাগতিয়াল বা দৰকাৰীবোৰক গ্ৰহণ কৰাৰ পৰম্পৰা এতিয়ালৈকে চলি আহিছে। সেয়ে সংস্কৃতিৰ লগত জড়িত প্ৰতিটো আচৰণে সুকীয়াভাৱে গঢ়লৈ উঠে। যিবিলাক প্ৰকৃতিৰ প্ৰেৰণা থাকিলেও কেৱল প্ৰাকৃতিক নিয়মত হোৱা নাই, মানুহে বিশেষ আচৰণসমূহ নিজৰ শৰীৰ আৰু মনৰ বিকাশৰ বাবে সমাজৰ কল্যাণৰ অৰ্থে সৃষ্টি কৰিছে আৰু মানি লৈছে আৰু লগে লগে তাৰ বিকাশ কৰিছে সেয়ে হ'ল সংস্কৃতি।[19] সমাজখনত অতীতৰ পৰা বৰ্তমানলৈকে চলি অহা পৰম্পৰা, ধৰ্মীয় বিশ্বাস, বিভিন্ন আচাৰ-লোকাচাৰ সকলোৰে মনস্তাত্ত্বিক দিশটো দাঙি ধৰে। সমাজত বাস কৰা প্ৰতিজন লোকৰ আচাৰ ব্যৱহাৰ, চিন্তাধাৰা সকলোতে সেই সমাজখনৰ চিত্ৰ প্ৰতিফলিত কৰে। গতিকে সংস্কৃতি হ'ল আমাৰ সমষ্টিগত পৰিচয়। সংস্কৃতি চিৰ প্ৰবাহমান। পুৰুষৰ পৰা পুৰুষলৈকে ই গতি কৰে। সময়ৰ লগে লগে সমাজৰ পৰিৱৰ্তনবোৰক গ্ৰহণ কৰি আগবাঢ়ি গৈ থাকে।

**১.০৮ কোচ ৰাজবংশী লোক সংস্কৃতি ঃ**

অসম নানা জাতিগোষ্ঠীৰ মিলন ভূমি, এখন সমন্বয় ক্ষেত্ৰ। অসমত বসবাস কৰা লোকসকলৰ ভিতৰত কোচ ৰাজবংশী জনগোষ্ঠী অন্যতম। কোচ ৰাজবংশী লোকসকল অসমৰ প্ৰায়কেইখন জিলাতেই কম-বেছি পৰিমাণে বসবাস কৰি আছে। লোক সংস্কৃতিৰ ক্ষেত্ৰত এই জনগোষ্ঠীটো বহুতো আগবঢ়া। কোচ ৰাজবংশী লোক সংস্কৃতিক চাৰিটা ভাগত ভাগ কৰিব পাৰি ঃ

(ক) মৌখিক সাহিত্য (Oral literature)

(খ) সামাজিক লোকাচাৰ বা লোকপ্ৰথা (social folk custom)

(গ) লোক পৰিৱেশ্য কলা (Performing Art) আৰু

(ঘ) ভৌতিক সংস্কৃতি (Material culture)

তলত ভাগসমূহৰ চমু পৰিচয় দিয়া হ'ল—

**(ক) মৌখিক সাহিত্য ঃ**

মৌখিক সাহিত্য হৈছে বহুকাল আগৰে পৰা মানুহৰ মুখে মুখে প্ৰচলিত হৈ অহা লোক কাহিনীসমূহ, লোকগীত সমূহ, মালিতা, ৰাজবংশী জনবিশ্বাসৰ লগত জড়িত কাহিনীবোৰ, দেৱ-দেৱী, সম্বন্ধীয় প্ৰচলিত আখ্যানসমূহ, সৃষ্টিতত্ত্বৰ কাহিনী, প্ৰবাদ-প্ৰবচন, সাঁথৰ-পটন্তৰ আদি বিভিন্ন বিষয়ত ৰচিত গীতসমূহক ধৰিব পাৰি। গীতসমূহৰ ভিতৰত পূজা-পাৰ্বণৰ গীতৰ সংখ্যাই বেছি। পূজা-পাৰ্বণৰ গীতসমূহ হৈছে— পদ্মাপুৰাণ বা মাৰাইগান, বাঁশী পুৰাণ, ভাসানযাত্ৰা, আজাঙ্গৰ পূজাৰ গান, সোনাৰায় ঠাকুৰেৰ গান, কাতি পূজাৰ গান, বাঁশ পুজাৰ গান, হুদুম পূজাৰ গান, ত্ৰিনাথ পূজাৰ গান, শীতলা বা ঠাকুৰানী পূজাৰ গান, গোৰক্ষনাথেৰ গান, চৰক পূজাৰ গান, জগন্নাথেৰ গান, তিস্তাবুঢ়ী বা মেচেনী ঠাকুৰেৰ গান, বিয়াৰ গীত। কৰ্মবিষয়ক গীতসমূহ হৈছে নাওখেলৰ গান, বৰ্শী মাৰা গান, জাখৈমাৰা গান, ধান বানা গান, হালবোৱা গান ইত্যাদি। আখ্যান বা কেচ্চাসমূহৰ ভিতৰত ময়নামতী বা গোপীচন্দ্ৰ, বেউলা লখিন্দাৰৰ কেচ্চা ইত্যাদি পোৱা যায়। বিষহৰিৰ জন্ম, হৰিশ্চন্দ্ৰ ৰজাৰ কাহিনী, বিভিন্ন পৌৰাণিক তথা কাল্পনিক কাহিনীসমূহক ল'ব পাৰি। বিভিন্ন সাধুকথাৰ প্ৰচলিত আছে। সেইসমূহৰ ভিতৰত দেৱ-দেৱী, জীৱ-জন্তু, ভূত-প্ৰেত সম্পৰ্কীয় সাধুকথাৰ সংখ্যা বেছি।

**(খ) সামাজিক লোকপ্ৰথা আৰু লোকাচাৰ ঃ**

কোচ ৰাজবংশী লোকসকল কৃষিজীৱি। এওঁলোকে পুৰুষ আৰু মহিলাই সমানে পথাৰত কাম কৰে। কৃষিকেন্দ্ৰীক বিভিন্ন উৎসৱ-অনুষ্ঠান পালন কৰা হয়। ব'হাগ মাহত বিষুৱা পালন কৰা হয়। সকলোৰে মঙ্গল কামনা কৰি গ্ৰাম পূজা আৰু গাৰ্জা পূজা পালন কৰা হয়, বৰষুণৰ কাৰণে হুদুম পূজা পতা হয়। কাতি মাহত শস্যৰ শ্ৰী-বৃদ্ধিৰ আৰু পোক-পৰুৱাৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ পথাৰত কাতি গাছা দিয়া হয়। ধান কটাৰ পিছত ধুমধামেৰে পুযুনা পতা হয়। যত নানাধৰণৰ পিঠা পোনা খোৱা হয়।

কোচ ৰাজবংশী মহিলাসকল সকলো কামতে পাকৈত। ৰোৱনী, মাছধৰোঁতা, ভাল ৰান্ধনী, চিৰা খুন্দা, মুড়ি ভজা, কাপোৰ বোৱা সকলো কামতে আগবঢ়া। কোচ ৰাজবংশী সমাজত প্ৰচলিত বহুতো খেল-ধেমালি আছে। খেলবোৰ হৈছে— চক্ৰচাল, যোলো পাইতা, বাৰো পাইতা, নয় পাইতা, কুকুৰ-শিয়াল, ৰাঢ়িৰ বেটা, চোৰ ধৰা, ধাপ্পই, ধাই খেলা, বুঢ়ী ডুস, ফুটি, গাদোম, বুঢ়ী পিটা, দাড়িয়া বান্ধা, গলগলীয়া শই ইত্যাদি খেলসমূহ। বৰ্তমান এই খেলবোৰৰ প্ৰচলন কমি আহিছে।

লোক ঔষধৰ পৰম্পৰা কোচ ৰাজবংশী সমাজত আগৰে পৰা প্ৰচলন আছে। ইয়াত পোৱা বিভিন্ন গছ-গছনি ফুল-লতাৰ পৰা ঔষধ প্ৰস্তুত কৰা হয়। তাৰোপৰি বিভিন্ন চিকিৎসাত তন্ত্ৰ-মন্ত্ৰৰ সহায়ত জৰা-ফুকা দিয়া হয়। কেতিয়াবা ৰোগ আৰোগ্যৰ বাবে পূজা-পাতল দিয়া হয়।

কোচ ৰাজবংশীসকলৰ পৰম্পৰাগত গৃহদেৱতাৰ ৰূপত দেখা যায় বিষহৰি থান, শিৱ আৰু কালী। সকলোৰে চোতালত তুলসী থান থাকে। হিন্দু হোৱা বাবে বিভিন্ন দেৱ-দেৱতাৰ পূজা কৰে। কোচ ৰাজবংশী পৰম্পৰাগত লোকদেৱতা বহুতো আছে। গাঁওবোৰত গাৰ্জা আৰু গ্ৰাম পূজা সমূহীয়াভাৱে ৰাইজে পালন কৰে। সামাজিক লোকাচাৰ বিভিন্ন সামাজিক, ধৰ্মীয় অনুষ্ঠানবোৰত পৰিলক্ষিত হয়। যেনে— বিয়া, পূজা-পাৰ্বন, শ্ৰাদ্ধ, আচাৰ-অনুষ্ঠান ইত্যাদি। ওজা-কবিৰাজ, তন্ত্ৰ-মন্ত্ৰ, দেও-ভূত বিশ্বাস, সকলোবোৰ সামাজিক লোকাচাৰৰ ভিতৰত পৰে।

**(গ) লোক পৰিৱেশ্য কলা ঃ**

লোক নাট্যকলা নাট-গীত-নৃত্যৰ সমন্বয়ৰে গঠিত হয়। কোচ ৰাজবংশী সমাজত লোকনাট্যৰ আদিম নিদৰ্শন হ'ল কুশান, চোৰ-চুৰনী, বিষহৰা গান আদি লোকনাট্যসমূহে নাট আৰু গীতৰ জৰিয়তে জনসাধাৰণক মনোৰঞ্জন দিয়ে। এই সমাজত প্ৰচলিত কুশান গান, চোৰ-চুৰনী, পালা, যাত্ৰা এই লোকনাট্যৰ প্ৰচলন আছে। কুশানত বিভিন্ন পৌৰাণিক কাহিনীসমূহ গোৱা হয়।

কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকনৃত্যসমূহৰ ভিতৰত কুশান, হুদুম, কাতিকা, গোৱালীনি,

চণ্ডী ইত্যাদি নৃত্যৰ প্ৰচলন আছে। নৃত্যৰ লগত গীতৰ সম্পৰ্ক আছে। লোকনৃত্যৰ লগত বহুতো লোকগীতৰো প্ৰচলন আছে। এই গীতসমূহ হৈছে — পূজা-পাৰ্বনৰ গীত, বিয়াগীত, নাওখেলৰ গীত, বৰ্শীমাৰা গীত, জাকৈমাৰা গীত, হালবোৱা গীত, ময়নামতী বা গোপীচন্দ্ৰৰ গীত, সত্যপীৰৰ গীত, বেউলা-লখিন্দাৰৰ গীত, মদন-কামৰ গীত, ভাওয়াইয়া গান, নিচুকনি গীত আদি। লোক পৰিৱশ্যে কলাত হাৰমনিয়াম, খোল, ঢোল, দোতৰা, একতাৰা, বেনা, কৰতাল, বাঁশী, পেঁপা, সাৰিন্দা, ঘুগুৰা আদি বাদ্যযন্ত্ৰ বজোৱা হয়।

**(ঘ) ভৌতিক সংস্কৃতি ঃ**

কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা সা-সজুলিবোৰ নিজেই তৈয়াৰ কৰি লয়। কৃষি কাৰ্যৰ ব্যৱহাৰৰ বাবে প্ৰয়োজন হোৱা সামগ্ৰী— নাঙল, মৈ, গৰুৰ গাড়ী, যুৱলি, হাচিনি। তাঁতশালৰ বাবে — যঁতৰ, তাতশাল, মাঁকো, চেৰেকি আদি। মাছ ধৰাৰ বাবে — জাকৈ, খালৈ, বৰশী, পলো, চেপা ইত্যাদি। ধান বনাৰ বাবে — উৰাল, ঢেঁকী, চালনী, কুলা, দোন, খাদা আদি। মাটিৰ সামগ্ৰী — কলহ, ঘটি, মাটিৰ বিভিন্ন সাজ-বাচন, পুতুলা আদি। জাপি, বিচনী এইবোৰ সকলো সামগ্ৰী নিজে ঘৰতে বনায়।

জনগোষ্ঠীটোৱে বাঁহ, কাঠ, বেত, খেৰ, ইকৰা আদিৰে ঘৰ নিৰ্মাণ কৰে। বৰ্তমানে পকীঘৰ আৰু টিন দিয়া ঘৰৰ নিৰ্মাণ বেছি হয়।

কোচ ৰাজবংশীসকলৰ নিজস্ব সাজ-পাৰ আছে। পুৰুষসকল কপাহী ধূতি, আংচা, গামোচা ব্যৱহাৰ কৰে। মহিলাসকলে পাটানী, শাড়ী, মেখেলা-চাদৰ পৰিধান কৰে। আগৰণ, দোপাটি শৰীৰত লয়। মহিলাসকলে বিভিন্ন সোণ-ৰূপৰ অলংকাৰ পিন্ধে।

জনগোষ্ঠীটোৰ ৰন্ধন প্ৰণালী বা খাদ্যাভাস প্ৰকৃতি নিৰ্ভৰশীল। এওঁলোকে আমিষ আৰু নিৰামিষ দুয়োবিধ খাদ্যই খায়। বাৰ তিথি পূজা পাৰ্বনত নিৰামিষ আহাৰ গ্ৰহণ কৰে। এওঁলোকে মাছৰ পৰা বিভিন্ন খাদ্য প্ৰস্তুত কৰে। শুকান মাছ, সিদল, এওঁলোকৰ প্ৰিয় খাদ্য। মাংসৰ ভিতৰত ছাগলী, হাঁহ, পাৰ, কুকুৰা, গাহৰি খায়। কেঁকোৰা এওঁলোকৰ প্ৰিয়। খাৰৰ আঞ্জা প্ৰিয় খাদ্য। এওঁলোকে বিভিন্ন পিঠা, চিৰা, দৈ, মুড়ি পায়স আদি বনায় খায়। খোৱা খাদ্য বনোৱাত মহিলাসকল আগবঢ়া।

**১.০৯. কোকৰাঝাৰ জিলাৰ ভৌগোলিক অৱস্থিতি ঃ**

কোকৰাঝাৰ জিলাখন এসময়ত অবিভক্ত গোৱালপাৰা জিলাৰ অংগ আছিল। 1983 চনত কোকৰাঝাৰ প্ৰশাসনিক জিলাখন গঠন কৰা হয়। কোকৰাঝাৰ জিলাৰ চাৰিসীমা হৈছে— পূৱে- চিৰাং, জিলা; পশ্চিমে- পশ্চিমবংগ; উত্তৰে- ভূটান ৰাষ্ট্ৰ আৰু দক্ষিণে- ধুবুৰী জিলা। জিলাখনৰ সৰ্বমুঠ মাটিকালি 3129 বৰ্গ কিলোমিটাৰ। জিলাখনৰ মহকুমা তিনিটা- কোকৰাঝাৰ, গোসাইগাঁও আৰু পৰ্বতঝোৰা। জিলাখনৰ ভৌগোলিক অৱস্থান- "89 ডিগ্ৰী 46 মিনটৰ পৰা 90 ডিগ্ৰী 38 মিনিট দ্ৰাঘিমাংশলৈ আৰু 26 ডিগ্ৰী 19 মিনিটৰ পৰা 26 ডিগ্ৰী 54 মিনিট অক্ষাংশলৈ বিস্তৃত।"[20]

কোকৰাঝাৰ জিলাখনত বিভিন্ন জাতি-গোষ্ঠী ভাষা, ধৰ্মৰ লোকে বসবাস কৰি আহিছে। ইয়াত বড়ো, ৰাজবংশী, ৰাভা, চাওতাল, নেপালী, আদিবাসী, নাথ-যোগী, ব্ৰাহ্মণ, মাৰোৱাৰী, বিহাৰী, মুছলমান লোকে বসবাস কৰি আছে।

"কোকৰাঝাৰ জিলাৰ জনসংখ্যা 2001 চনৰ লোকপিয়ল মতে সৰ্বমুঠ 843,243 জন। ইয়াৰে পুৰুষৰ সংখ্যা 433360 জন আৰু মহিলাৰ সংখ্যা 409883 জন। মুঠ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ 14.49 শতাংশ। জিলাখনত মুঠ সাক্ষৰতাৰ হাৰ আছিল 52.29 শতাংশ পুৰুষৰ সাক্ষৰতাৰ হাৰ আছিল 61.01 শতাংশ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰ আছিল 43.06 শতাংশ।[21] কোকৰাঝাৰ জিলাখনৰ বিভিন্ন নৈ-উপনৈসমূহ হৈছে চম্পাৱতী, গৌৰাং, সৰলভাঙা, হেল, গঙ্গীয়া, লঙা, সোনকোষ, উল্টাপানী ইত্যাদি। জিলাখনত দীপলাই নামৰ বিল এখন আছে আৰু ৰিপু চিৰাং নামৰ বনাঞ্চল আছে।

জিলাখনত তিনিটা বিধানসভা সমষ্টি আছে— পূৱ কোকৰাঝাৰ, পশ্চিম কোকৰাঝাৰ আৰু গোসাইগাঁও।

**(ক) কোকৰাঝাৰ নামৰ উৎপত্তি ঃ**

কোকৰাঝাৰ নামৰ উৎপত্তি সম্পৰ্কে বহুকেইটা মতবাদ পোৱা যায়—

(ক) কেঁকোৰা নামৰ এবিধ বনেৰে আৱৰা বাবে ঠাইখনৰ নাম কোকৰাঝাৰ হৈছে।

(খ) এই অঞ্চলসমূহে অধিক কুকুৰা চৰাই পুহিছিল যাৰ বাবে ঠাইখনৰ নাম কুকুৰাৰ পৰা কোকৰাঝাৰ হৈছে।

(গ) আন এটা মতবাদ অনুসৰি খেগ্ৰাদা লৈ হাবি কাটি কেঁকোৰা বনত গাঁও পাতিছিল সেই কাৰণে খেগ্ৰাঝাৰ হয়। পিছত সেই নামটোৱে অপভ্ৰংশ হৈ খেগ্ৰাঝাৰৰ পৰা কোকৰাঝাৰ হয় বুলি ক'ব খোজে।[22]

[ঘ) বহুত পৰিমাণে কেঁকোৰা পোৱা বাবে কোকৰাঝাৰ নাম হৈছে।[23]

বৰ্তমান বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ (Bodoland Territorial Council) মুখ্য ৰাজধানী কোকৰাঝাৰ চহৰ। শিক্ষাৰ ক্ষেত্ৰত জিলাখন বহুতো আগবাঢ়ি আছে। জিলাখনত বড়োলেণ্ড বিশ্ববিদ্যালয়, বীনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয়, কেন্দ্ৰীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়, কৃষি গৱেষণা কেন্দ্ৰ, আদি কৰি বহুকেইখন চৰকাৰী-বেচৰকাৰী মহাবিদ্যালয় আৰু বিদ্যালয় গঢ় লৈ উঠিছে জিলাখনত যোগাযোগৰ বাবে ৰে'ল আৰু বাছৰ সু-ব্যৱস্থা আছে। জিলাখনত চালাকাটি, কোকৰাঝাৰ, ফকিৰাগ্ৰাম জংচন, চৌতাৰা, গোসাইগাঁও আৰু শ্ৰীৰামপুৰ ৰেল ষ্টেচন আছে। চালাকাটিত NTPC (National Thermal Power Corporation Limited) প্ৰতিষ্ঠা হৈছে। বৰ্তমান কোকৰাঝাৰ জিলাখন নামনি অসমৰ মুখ্য বাণিজ্যকেন্দ্ৰ ৰূপে গঢ় লৈ উঠিছে।

**পাদটীকা**

1¼ অৰুণ কুমাৰ ৰায় ঃ কোচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰাচীন কলাকৃষ্টিৰ তাৎপৰ্য, পৃ. 47¼

2¼ অম্বিকাচৰণ চৌধুৰী ঃ কোচ ৰাজবংশী জনগোষ্ঠীৰ ইতিহাস আৰু সংস্কৃতি, পৃ. 21¼

3¼ দ্বিজেন্দ্ৰ নাথ ভকত ঃ অসমৰ কোচ ৰাজবংশী জনজাতি, পৃ. 9¼

4¼ The word koc (or rather komc) comes from a middle Indo-Aryan soure from kowomca written komoca which can be properly Sanskritised as kamboja. He also added that the komojas of Bengal are apparently the ancestors of the koch people of 'North-Bengal' origin and development of Bengal language. p- 339 অজিত কুমাৰ বৰুৱা, কোচ ৰাজ্যৰ বুৰঞ্জী, পৃ. 31¼

5¼ পদ্মনাথ গোহাঞি বৰুৱা ঃ আসাম বুৰঞ্জী, পৃ. 129¼

6¼ দ্বিজেন্দ্ৰ নাথ ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 11¼

7¼ দ্বিজেন্দ্ৰ নাথ ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 10¼

8¼ অম্বিকাচৰণ চৌধুৰী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 31¼

9¼ পূৰ্বোল্লিখিত, পৃ. 32¼

10¼ প্ৰভাত ৰায় ঃ *গোৱালপৰীয়া সমাজ সভ্যতা আৰু সংস্কৃতি*, পৃ. 1¼

11¼ অজিত কুমাৰ বৰুৱা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 31¼

12¼ পূৰ্বোল্লিখিত, পৃ. 29¼

13¼ দ্বিজেন্দ্ৰ নাথ ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 11¼

14¼ অম্বিকাচৰণ চৌধুৰী ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 20¼

15¼ অমৃত পাটগিৰি ঃ দিহিৰাও, পৃ. 17¼

16¼ প্ৰফুল্ল দত্ত গোস্বামী ঃ অসমীয়া জনসাহিত্য, পৃ. 1¼

17¼ নবীন চন্দ্ৰ শৰ্মা ঃ *অসমৰ লোকসংস্কৃতিৰ আভাস*, পৃ. 2¼

18¼ উমেশ চেতিয়া ঃ *অসমৰ লোকসংস্কৃতিৰ ৰূপৰেখা*, পৃ. 2¼

19¼ হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈ (সম্পা.) ঃ *অসমীয়া সংস্কৃতি*, পৃ. 274¼

20¼ http//kokrajhar District/html.

21¼ http//kokrajhar dc office/html.

22¼ হৰিন্দ্ৰ মোহন নাথ ঃ অসমৰ ঠাইৰ নামৰ ইতিবৃত্ত, পৃ. 24¼

23¼ সংবাদদাতা ঃ বাবুলাল ৰায়, 70, কুণ্ঠাইবাৰী, কোকৰাঝাৰ।